কৰ্ম মোৰ সংস্কৃতি

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : তাৰিখ :
*Ref :* *Date* :

# Abhigyan Sibir & Abhigyan Sabha for HSLC, HS candidates Held at Assam Jatiya Bidyalay

**Guwahati, 18 March, 2019 :** Like the previous years Abhigyan Sibir and Abhigyan Sabha were held at the Assam Jatiya Bidyalay campus, Noonmati on 16th & 17th March with a two day programme. There are two occasions organized every year in the school campus as a memorable event for the candidates appearing in the HSLC and HS final examinations. The HSLC candidates were given two days and one night and HS final candidates are given a day's time at the school campus for enjoying different programmes. On 16th March, Saturday Dr. Mythili Hazarika, Associate Professor in Clinical Psychology, Department of Psychiatry, Gauhati Medical College and Hospital, had an interaction programme with the students. An entertaining programme of the teachers and the students followed it. On 17th March, Sunday Dr. Buljit Buragohain, the Principal of Girijananda Institute of Management and Technology, Tezpur had an interactive session with the students. Dr. Buragohain had pointed out various career related opportunities for their future life in the event. Then with the welcome speech delivered by the Principal Ghanashyam Medhi, the 'Abhigyan Sabha' was started. Dr. Ramesh Deka, the former Director of All India Institute of Aurveda, Delhi was invited as the chief guest of the same. In his valuable speech, Dr. Deka cited some examples of Marie Curie's life and work and inspired the students to do good to the society. He believes that tremendous hard work and will power helps one to succeed in life. He also inspired the students to demonstrate their ability in their day today activities. He further added that as this generation is born in advantageous era, they should make good use of this and go ahead with new ideas and inspiration. Ranjit Narayan Deka, the Rector of AJB also delivered a valuable speech wishing the students a bright future. A few students as well as their parents, some teachers also spoke on the occasion. Senior teacher Juthika Patowary recited a poem, teacher Manisha Deka and student Barnil Medhi sang two Assamese modern songs. The secretary of the AJB Management committee Dr. Narayan Sharma and the President of the AJB Management committee Dilip Kumar Dutta Choudhury were present in this session. The whole programme was anchored by teacher Manoshi Baruah and the senior teacher Udaya Phukan delivered the vote of thanks. Binay Bikash Gogoi, teacher of English Department was the convenor of the programme.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date :*

# অসম জাতীয় বিদ্যালয়ত অভিজ্ঞান শিবিৰ আৰু অভিজ্ঞান সভা

**গুৱাহাটী, ১৮ মাৰ্চ, ২০১৯ :** বিগত বৰ্ষবোৰৰ দৰে এই বছৰো অসম জাতীয় বিদ্যালয়ৰ ব্যতিক্ৰমী অনুষ্ঠান 'অভিজ্ঞান শিবিৰ' আৰু 'অভিজ্ঞান সভা' যোৱা ১৬ আৰু ১৭ মাৰ্চ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। উল্লেখযোগ্য যে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলে বিদ্যালয়খনত পাৰ কৰা সুদীৰ্ঘ দিনৰ স্মাৰক হিচাপে দুদিন আৰু এনিশা বিদ্যালয়ত কটোৱাৰ সুযোগ প্ৰদানেৰে অভিজ্ঞান শিবিৰ আৰু এটা দিনৰ কাৰ্যসূচীৰে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ বাবে অভিজ্ঞান সভাৰ আয়োজন কৰা হয়। এইবাৰৰ অভিজ্ঞান শিবিৰৰ প্ৰথম দিনাৰ কাৰ্যসূচীত বিশিষ্ট মনোৰোগ বিশেষজ্ঞ ড° মৈথিলী হাজৰিকাই কৈশোৰ কালৰ বিভিন্ন সমস্যাৰ বিষয়ে শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে বহুমূলীয়া দিহা-পৰামৰ্শ আগবঢ়ায়। ইয়াৰোপৰি শিক্ষাৰ্থীসকলৰ মাজত প্ৰীতি খেল-ধেমালি আৰু মনোৰঞ্জনমূলক অনুষ্ঠানো অনুষ্ঠিত কৰা হয়। ১৭ মাৰ্চ, ৰবিবাৰে দিনৰ ভাগত শিক্ষাৰ্থীসকলে তেজপুৰৰ গিৰিজানন্দ ইনষ্টিটিউট অব মেনেজমেণ্ট এণ্ড টেকন'লজীৰ অধ্যক্ষ ড° বুলজিৎ বুঢ়াগোঁহাইৰ সৈতে অন্তৰংগ আলাপত অংশগ্ৰহণ কৰে। ড° বুঢ়াগোঁহায়ে শিক্ষাৰ্থীসকলক পৰৱৰ্তী জীৱনৰ কেৰিয়াৰ সম্পৰ্কে বিভিন্ন দিশ আঙুলিয়াই দিয়ে। বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত ঘনশ্যাম মেধিৰ আৰম্ভণী ভাষণেৰে বিয়লি ৩.৩০ বজাত অভিজ্ঞান শিবিৰ আৰু অভিজ্ঞান সভাৰ মুকলি সভাৰ শুভাৰম্ভ ঘটে। অভিভাৱক-অভিভাৱিকা, শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থীসকল আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী আৰু সচিব ডা° নাৰায়ণ শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ প্ৰাক্তন সঞ্চালক ডা° ৰমেশ চন্দ্ৰ ডেকা। ডা° ডেকাই তেখেতৰ ভাষণ প্ৰসংগত শিক্ষাৰ্থীসকলক বিজ্ঞানী মেৰী কুৰীৰ আদৰ্শেৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। শিক্ষাৰ্থীসকলে সদায় সমাজৰ কল্যাণমূলক কামত অৰিহণা যোগাব লাগে আৰু কঠোৰ পৰিশ্ৰমেই সফলতাৰ মাপকাঠি বুলি উল্লেখ কৰি সদায় নিজৰ শক্তি-সামৰ্থ প্ৰদৰ্শনত শিক্ষাৰ্থীসকল উৎসুক হ'ব লাগে বুলি বিশিষ্ট অতিথি গৰাকীয়ে মত ব্যক্ত কৰে। এই সভাত বিদ্যালয়ৰ ৰেক্টৰ শ্ৰীযুত ৰঞ্জিত নাৰায়ণ ডেকাই শিক্ষাৰ্থীসকলক ভৱিষ্যৎ জীৱনৰ বাবে শুভ কামনা জনাই সাৰুৱা ভাষণ প্ৰদান কৰে। শিক্ষাৰ্থী, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলেও সভাত নিজ নিজ অনুভৱ ব্যক্ত কৰে। বিদ্যালয়ৰ গণিত বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰীৰ কবিতা আবৃত্তি, শিক্ষয়িত্ৰী মণিষা ডেকা আৰু শিক্ষাৰ্থী বৰ্ণিল মেধিৰ গীতৰ শৰায়ে এই অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এই বিশেষ সভাখনৰ কাৰ্যসূচীসমূহৰ আঁত ধৰে বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী মানসী বৰুৱাই। উপাধ্যক্ষা অপৰাজিতা বৰাৰ শলাগৰ শৰাই অনুষ্ঠানেৰে সভাৰ পৰিসমাপ্তি ঘটে। অভিজ্ঞান শিবিৰ তথা অভিজ্ঞান সভাৰ সমগ্ৰ অনুষ্ঠানটোৰ আহ্বায়কৰ দায়িত্বত আছিল বিদ্যালয়ৰ ইংৰাজী বিভাগৰ শিক্ষক বিনয় বিকাশ গগৈ আৰু সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী ৰুণুমী কলিতা।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ'ন : ৯৭০৬০২৫১৬৭